**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হৰমিত সিঙে কালি দায়িত্বভাৰ গ্ৰহণ কৰি কয়, যে আৰক্ষী ৰাইজৰ বন্ধু হ'ব লাগে। তেওঁ সদ্য বিদায়ী আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙক প্ৰশংসা কৰি কয়, যে অসম আৰক্ষীত তেওঁৰ ভূমিকা উল্লেখনীয়। অসম আৰক্ষীৰ প্ৰতি তেওঁৰ বিশেষ মৰম আছিল। জি পি সিঙে অসম আৰক্ষীত নতুন কল্যাণমূলক আঁচনি গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি হৰমিত সিঙে তেওঁৰ এই পদক্ষেপসমূহ আগুৱাই লৈ যাব বুলিও প্ৰকাশ কৰে। উল্লেখযোগ্য যে গুৱাহাটীৰ উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত কালি হৰমিত সিঙে জি পি সিঙৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰে। পূৰ্বৰ আৰক্ষী সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ পৰিপ্ৰেক্ষিতত হৰমিত সিঙক ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালক প্ৰধানৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

আৰক্ষী সঞ্চালক প্ৰধান হিচাপে জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙৰ কাৰ্যকালৰ অন্তিমটো দিনত কালি চতুৰ্থ অসম আৰক্ষী বাহিনীৰ পেৰেড গ্ৰাউণ্ডত আনুষ্ঠানিকভাৱে বিদায় অভিবাদন জনোৱা হয়। বিদায়পৰত দিয়া ভাষণত জি পি সিঙে অসম আৰক্ষী প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীয়ে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীসিঙে তেওঁৰ কাৰ্যকালত পোৱা প্ৰতিগৰাকী মুখ্যমন্ত্ৰীৰ সহায়-সহযোগিতাকো কৃতজ্ঞতাৰে উল্লেখ কৰে।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। সেই অনুসৰি ৭ ফেব্ৰুৱাৰীত নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ২১ ফেব্ৰুৱাৰীৰ ভিতৰত খচৰা ভোটাৰ তালিকা সন্দৰ্ভত আপত্তি দাখিল কৰিব পৰা যাব। ২৮ ফেব্ৰুৱাৰীত ওজৰ-আপত্তি নিষ্পত্তিৰ সময়সীমা ধাৰ্য কৰা হৈছে। পৰিষদৰ নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা ২ মাৰ্চত প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে যোৱা ২ জানুৱাৰীত প্ৰকাশ কৰা বিধানসভা সমষ্টিভিত্তিক ভোটাৰ তালিকা অনুযায়ী পৰিষদৰ নিৰ্বাচনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব।

০০০০০০০

জনসাধাৰণৰ মাজত সুষম আহাৰৰ প্ৰয়োজন সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কালিৰেপৰা তিনিচুকীয়া চহৰৰ চলিহা নগৰ খেলপথাৰত সঠিক ভোজন মেলাৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ সহযোগত আৰু খাদ্য সুৰক্ষা বিভাগৰ উদ্যোগত আয়োজিত এই মেলাখন জিলা উন্নয়ন আয়ুক্তই বন্তি প্ৰজ্বলন কৰি মুকলি কৰে। আয়ুক্তগৰাকীয়ে কয় যে খাদ্যাভ্যাসৰ সৈতে ৰোগ-ব্যাধিৰ গভীৰ সম্পৰ্ক আছে আৰু সেয়ে সুষম আহাৰ সম্পৰ্কে সজাগতাৰ খুবেই আৱশ্যক। সঠিক ভোজন মেলাৰ প্ৰথম দিনা কালি কাৰিকৰী অধিবেশনত সমল ব্যক্তি হিচাপে ভাগ লৈ তিনিচুকীয়া কৃষি বিকাশ কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী মৃন্ময় চেতিয়াই ভেজাল খাদ্য চিনাক্তকৰণৰ বিভিন্ন উপায়

সম্পৰ্কে উপস্থিত লোকসকলক অৱগত কৰে। দ্বিতীয়খন কাৰিকৰী অধিবেশনত ক্ষুদ্ৰ বিক্ৰেতাসকলক খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া কৰ্তব্যসমূহৰ বিষয়ে অৱগত কৰা হয়। অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্যৰ মেলাৰো আয়োজন কৰা হৈছে।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ চেণ্ট্ৰেল ব্যুৰ' অব্ কমিউনিকেচনৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীস্থিত আঞ্চলিক কাৰ্যালয়ৰ কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল আৰু বাহনা প্ৰকৃতিপ্ৰেমী অনুষ্ঠান সেৱাৰ সহযোগত কালি এখন সজাগতা সভা অনুষ্ঠিত হয়। যোৰহাট জিলাৰ নাওবৈচা গাঁৱৰ কল্যাণী সমাজ কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত এই সভাখনত সমল ব্যক্তিৰূপে যোৰহাট জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্য উপস্থিত থাকে। অনুষ্ঠানত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলাৰ সমন্বয়ক হেমেন কুমাৰ শইকীয়াই মাতৃৰ সন্মানত এটি গছপুলি ৰোপণ কৰে। যোগ তথা যোগভ্যাস বিষয়ত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰণৱ কুমাৰ নাথে এলানি বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে সংগীত আৰু নৃত্য প্ৰদৰ্শন কৰে।

ooooooo

আজি ৰাষ্ট্ৰীয় ছহিদ দিৱস। জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যুৰ দিনটো প্ৰতিবছৰে ৩০ জানুৱাৰীত ছহিদ দিৱস হিচাপে পালন কৰি অহা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় ছহিদ দিৱস উপলক্ষে মহাত্মা গান্ধী আৰু স্বাধীনতা আন্দোলনত আত্মবলিদান দিয়া প্ৰতিগৰাকী ছহিদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

oooooo

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱানিশা গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক্‌ছ ষ্টেডিয়ামত অনুষ্ঠিত ISL ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ ফুটবল ক্লাবক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নৰ্থ-ইষ্টৰ হৈ গুইলেৰ্মো ফাৰ্নাণ্ডেজে খেলখনৰ প্ৰথমাৰ্ধৰ ১৭ মিনিটত প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছত ৪৫ মিনিটত আজাৰায়ে দ্বিতীয়টো গ'ল দিয়ে। দ্বিতীয়াৰ্ধত হায়দৰাবাদে খেলুৱৈ সলনি কৰি আক্ৰমণাত্মক খেলেৰে সমতা স্থাপনৰ প্ৰচেষ্টাত ব্ৰতী হয়। দলটোৰ হৈ ৭০ মিনিটত মনোজ মহম্মদে একমাত্ৰ গ'লটো দিয়ে। ইয়াৰ পাছতে নৰ্থ-ইষ্ট ইউনাইটেডে পুনৰ আক্ৰমণাত্মক ৰণনীতিৰে দুটাকৈ গ'ল দিয়ে। দলটোৰ হৈ আচিৰ আখটাৰে ৭৯ মিনিটত আৰু মহম্মদ আলী বেমামাৰে ক্ৰমে তৃতীয় আৰু চতুৰ্থটো গ'ল দিয়ে। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে এই জয়ৰ সুবাদত ১৮ খন খেলৰ পৰা ২৮ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে। নৰ্থ-ইষ্ট ইউনাইটেডে অহা ৩ ফেব্ৰুৱাৰীত ভূৱনেশ্বৰত হ'বলগীয়া লীগ পৰ্যায়ৰ পৰৱৰ্তী খেলত ওড়িশা ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

**সমাপ্ত**